# উপ ৰাষ্ট্ৰপতিৰ চীনলৈ আনুষ্ঠানিক ভ্ৰমণ ।

জুন ২০,২০১৪

চীনৰ উপ ৰাষ্ট্ৰপতিৰ আমন্ত্ৰন ক্ৰমে ভাৰতৰ উপ ৰাষ্ট্ৰপতি শ্ৰী এম হামিদ আনচাৰিয়ে ২৬ জুন ২০১৪ ৰ পৰা ৩০ জুন ২০১৪ লৈ আনুষ্ঠানিক ভাৱে চীন ভ্ৰমণলৈ যাব ।

উপ ৰাষ্ট্ৰপতি গৰাকীয়ে ৩০ জুন ২০১৪ তাৰিখে বেইজিংত তেওঁৰ সতীৰ্থ উপ ৰাষ্ট্ৰপতি লি য়ুআনচাওৰ (Li Yuanchao) সৈতে দ্বিপাক্ষীক বৈঠকত মিলিত হব আৰু ৰাষ্ট্ৰপতি শি জিনপিঙক সাক্ষাৎ কৰিব ।তেওঁ শিয়ান ভ্ৰমণলৈও যাব আৰু ছানশি অঞ্চলৰ নেতা সকলকো সাক্ষাৎ কৰিব ।

উপ ৰাষ্ট্ৰপতি গৰাকীয়ে ২৮ জুন ২০১৪ ৰ পৰা ২৯ জুন ২০১৪ লৈ বেইজিঙত ৬০ তম ‘পঞ্চশীল’ বাৰ্ষিকী লক্ষ্যনীয় কৰাৰ হেতু উদযাপন কৰা অনুষ্ঠানত অংশ গ্ৰহন কৰিব ।

ভাৰত-চীনৰ বন্ধুত্বৰ বিনিময়ৰ বৰ্ষৰ কালত ভাৰতৰ উপ ৰাষ্ট্ৰপতি আনচাৰিয়ে এই ভ্ৰমণে দুয়ো কন দেশৰ ৰণকৌশলগত আৰু সহযোগিতাৰ অংশীদাৰিত্বক অধিক শক্তিশালী কৰি তুলিব ।

নতুন দিল্লী

জুন ২০,২০১৪